**ত্ৰিনিদাদ আৰু টোবাগোৰ সংসদত ভাষণ প্ৰদান প্ৰধানমন্ত্ৰীৰ (জুলাই 04, 2025)**

জুলাই 04, 2025

ছিনেটৰ অধ্যক্ষ ৱেড মাৰ্ক আৰু সদনৰ অধ্যক্ষ জগদেও সিঙৰ আমন্ত্ৰণত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ট্ৰিনিদাদ আৰু টোবাগোৰ সংসদৰ যুটীয়া সদনত ভাষণ প্ৰদান কৰে। তেওঁ ভাৰতৰ পৰা ত্ৰিনিদাদ আৰু টোবাগোৰ সংসদত ভাষণ দিয়া প্ৰথমজন প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হোৱাৰ লগতে ই ভাৰত-ত্ৰিনিদাদ আৰু টোবাগোৰ দ্বিপাক্ষিক সম্পৰ্কত এক মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে।

2. সন্মানীয় সদনত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰীয়ে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ নাগৰিকসকলৰ তৰফৰ পৰা বিশেষ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ ত্ৰিনিদাদ আৰু টোবাগোৰ জনসাধাৰণক তেওঁলোকৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় সন্মান প্ৰদান কৰাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। ভাৰতীয় গণতন্ত্ৰৰ স্পন্দনশীলতাৰ বিষয়ে বিশদভাৱে উল্লেখ কৰি তেওঁ উল্লেখ কৰে যে ভাৰতে গণতন্ত্ৰৰ মাতৃ হিচাপে, এই প্ৰথাক ইয়াৰ সংস্কৃতি আৰু জীৱনৰ অবিচ্ছেদ্য অংগ কৰি তুলিছে। এই পদ্ধতিয়ে ভাৰতৰ বৈচিত্ৰ্যক উদ্ভাসিত হোৱা তথা সমৃদ্ধিশালী হোৱাৰ লগতে সকলো ধাৰণাকে সহাৱস্থান কৰিবলৈ আৰু সংসদীয় বক্তৃতা আৰু ৰাজহুৱা বিতৰ্কক সমৃদ্ধ কৰিবলৈ অনুমোদন দিয়ে বুলি তেওঁ উল্লেখ কৰে।

3. প্ৰধানমন্ত্ৰীয়ে ত্ৰিনিদাদ আৰু টোবাগোৰ সফল গণতান্ত্ৰিক যাত্ৰাৰ বাবে অভিনন্দন জনায়। তেওঁ উল্লেখ কৰে যে ভাৰতে স্বাধীনতাৰ পথত ত্ৰিনিদাদ আৰু টোবাগোৰ জনসাধাৰণৰ সৈতে সংহতিৰে থিয় দিয়াৰ সৌভাগ্য লাভ কৰিছিল। তেওঁ লগতে কয় যে আধুনিক জাতি হিচাপে দুয়োখন দেশৰ মাজত গভীৰ শিপাই থকা বন্ধন অধিক শক্তিশালী হৈ পৰিছে। ভাৰতে উপহাৰ দিয়া অধ্যক্ষৰ আসনত উপযুক্তভাৱে প্ৰতিফলিত হোৱা দুয়োখন গণতন্ত্ৰৰ মাজৰ ঘনিষ্ঠ সম্পৰ্কৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে দ্বিপাক্ষিক সংসদীয় বিনিময় অধিক বৃদ্ধিৰ বাবে আহ্বান জনায়। সদনত মহিলা সংসদ সদস্যসকলৰ উল্লেখযোগ্য উপস্থিতিত আনন্দ প্ৰকাশ কৰি তেওঁ সংসদ আৰু ৰাজ্যিক বিধানসভাত মহিলাৰ বাবে 33% আসন সংৰক্ষণৰ বাবে ভাৰতে গ্ৰহণ কৰা ঐতিহাসিক পদক্ষেপৰ ওপৰত আলোকপাত কৰে। ভাৰতত তৃণমূল পৰ্যায়ত মহিলা নেত্ৰীসকলে নেতৃত্ব লোৱাৰ বিষয়েও তেওঁ বিশদভাৱে বৰ্ণনা কৰে আৰু এই প্ৰসংগত দেশৰ স্থানীয় শাসন প্ৰতিষ্ঠানসমূহক শক্তি প্ৰদান কৰা 1.5 মিলিয়ন নিৰ্বাচিত মহিলাৰ বিষয়ে উল্লেখ কৰে।

4. প্ৰধানমন্ত্ৰীয়ে মানৱতাই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়ে বৰ্ণনা কৰে। শান্তিপ্ৰেমী সমাজৰ বাবে ভয়াৱহ ভাবুকি কঢ়িয়াই অনা সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজখন শক্তিশালী কৰিবলৈ তেওঁ বিশ্ব সমাজক আহ্বান জনায়। তেওঁ

বিশ্ব শাসন ব্যৱস্থাৰ সংস্কাৰ আৰু গ্ল’বেল ছাউথক প্ৰাপ্য প্ৰদানৰ আহ্বান জনায়। তেওঁ ভাৰত-CARICOM-ৰ সম্পৰ্ক আৰু অধিক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

5. ত্ৰিনিদাদত ভাৰতীয়ৰ আগমনৰ 180 বছৰীয়া উদযাপনৰ কথা সোঁৱৰাই প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক শতিকা পুৰণি বন্ধনৰ ভেটিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে আৰু এইবোৰ গভীৰ আৰু অধিক সমৃদ্ধিশালী হৈ থাকিব।

6. সংসদত প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ ভাষণ ইয়াত চাব পাৰিব।

প’ৰ্ট অব্ স্পেইন

জুলাই 04, 2025